# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নংঃ ১৪/২০২০**

**মুখ্যমন্ত্ৰীয়ে পৰ্যালোচনা কৰিলে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ বিভিন্ন আঁচনি**

## আঁচনি সমূহ শীঘ্ৰে ৰূপায়ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৭ জানুৱাৰী ঃ** অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ জাতিগত পৰিচয়ৰ সকলো দিশ পুংখানুপুংখ ভাবে সকলোৰে সহমতত বিচাৰ বিশ্লেষণ কৰাৰ বাবে বিস্তৃত গৱেষণামূলক অধ্যয়নৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগক আজি নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে অনুসূচিত জাতি আৰু জনজাতিৰ সম্পৰ্কত লাভ কৰা বিভিন্ন অভাৱ-অভিযোগ সমূহ সকলোৰে গ্ৰহণযোগ্য হোৱাকৈ সমাধান কৰিবলৈ গৱেষণামূলক অধ্যয়নৰ পদক্ষেপ ল'বলৈ বিভাগক নিৰ্দেশ দিয়ে। আজি মুখ্যমন্ত্ৰীৰ সভা গৃহত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ পৰ্যালোচনামূলক বৈঠকত মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে বিষয়টোৰ ক্ষেত্ৰত এক গ্ৰহণযোগ্য সমাধানৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ পৰামৰ্শৰে এই গৱেষণা মূলক অধ্যয়নৰ এক আৰ্হি প্ৰস্তুত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কয় যে ছ'চিয়েল মিডিয়াৰ জৰিয়তে জনসাধাৰণৰ পৰামৰ্শ গ্ৰহণৰ ব্যৱস্থা কৰিব লাগে যাতে এই গৱেষণামূলক কামৰ জৰিয়তে সকলোবোৰ প্ৰয়োজনীয় দিশে সামৰি ল'ব পৰা যায়। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এখন প্ৰস্তুত কৰি তুলিবলৈও বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত ৰাজ্যখনৰ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণমূলক আঁচনি সমূহৰো পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বিভাগৰ আয়ুক্ত সচিব গৰাকীক সকলো কল্যাণমূলক আঁচনি খৰতকীয়া ভাবে ৰূপায়ণ কৰাৰ বাবে নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহ অধিক জনমুখী কৰাৰ বাবে জনসচেতনতা সৃষ্টিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থকা প্ৰি-মেট্ৰিক আৰু প'ষ্টমেট্ৰিক জলপানি, উচ্চ শিক্ষাৰ বাবে থকা জলপানি প্ৰদানৰ ক্ষেত্ৰটো খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈও বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সমগ্ৰ অসমতে অধিক ছাত্ৰী নিৱাস নিৰ্মাণৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়াৰ উপৰি এই সম্প্ৰদায় সমূহৰ প্ৰসিদ্ধ ব্যক্তিৰ নামেৰে ছাত্ৰী নিৱাস সমূহ নামকৰণ কৰিবলৈও কয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত মডেল একলব্য স্কুলৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰো বুজ লয়।

আজিৰ এই বৈঠকত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া সকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ / বীঃগঃ**
**১৭/১/২০২০**